সেই সিদ্ধান্ত লোৱাৰ সময়ত মানুহে ভৱিষ্যতে হ'ব পৰা লাভ-লোকচানৰ প্ৰত্যাশা কৰে। যদি ভৱিষ্যতে সুদৰ হাৰ বৃদ্ধি হোৱাৰ অনুমান কৰা হয়, তেন্তে ইয়োকো অনুমান কৰা হ'ব যে ঋণপত্ৰৰ মূল্য হ্ৰাস হ'ব। এনে হ'লে মানুহে ভৱিষ্যতে ঋণপত্ৰ আৰু চিকিউৰিটিৰ মূল্য বঢ়াৰ সময়ত বিনিয়োগ কৰিবলৈ নগদ ধন জমা কৰি ৰাখিব। আনহাতে, ভৱিষ্যতে সুদৰ হাৰ কমিব আৰু ঋণপত্ৰৰ মূল্য বাঢ়িব বুলি অনুমান কৰিলে মানুহে হাতত কম পৰিমাণে নগদ ধন ৰাখি অধিক ধন ঋণপত্ৰত বিনিময় কৰিব আৰু ভৱিষ্যতে ঋণপত্ৰবোৰ অধিক মূল্যত বিক্ৰী কৰি লাভ অৰ্জন কৰিব। অৰ্থাৎ, যদি সুদৰ ভৱিষ্যৎ হাৰ বঢ়াৰ অনুমান কৰা হয়, তেন্তে কল্পনাপ্ৰসূত অভিপ্ৰায়ত নগদ ধন জমা ৰখাৰ পৰিমাণো বাঢ়িব নাইবা ইয়াৰ ওলোটাটো হ'লে নগদ ধন জমা ৰখাৰ পৰিমাণ কমিব। ভৱিষ্যৎ সুদৰ হাৰৰ পূৰ্বানুমান আৰু মানুহৰ ঋণপত্ৰ কিনা অথবা নগদ ধন জমা ৰখাৰ সিদ্ধান্ত সুদৰ শেহতীয়া বজাৰ দৰৰ ওপৰত নিৰ্ভৰশীল। যদি শেহতীয়া সুদৰ হাৰ পৰম্পৰাগতভাৱে মানি লোৱা স্বাভাৱিক সুদৰ হাৰতকৈ অধিক, তেন্তে ভৱিষ্যতে এই দৰ নিম্নগামী হ'ব বুলি আশা কৰা হয়। অৰ্থাৎ, সুদৰ শেহতীয়া উচ্চ হাৰে মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদা নিম্নগামী হোৱাটো সূচায়। এনে অৱস্থাত মানুহে হাতত নগদ ধন জমা ৰখাতকৈ ঋণপত্ৰ কিনাত অগ্ৰাধিকাৰ দিয়ে। আনহাতে, যদি সূদৰ শেহতীয়া দৰ কম হয়, তেন্তে মানুহে ভৱিষ্যতে এই দৰ বঢ়ালৈ অপেক্ষা কৰে। এনে অৱস্থাত কল্পনাপ্ৰসূত অভিপ্ৰায়ত নগদ ধনৰ চাহিদা বাঢ়ে।


অৰ্থাৎ, কল্পনাপ্ৰসূত অভিপ্ৰায়ৰ বাবে সৃষ্টি হোৱা মুদ্ৰা চাহিদা হ'ল সুদৰ শেহতীয়া বজাৰ দৰৰ এক বিপৰীত ফলন। যদি শেহতীয়া সুদৰ হাৰ উচ্চ হয়, কল্পনাপ্ৰসূত উদ্দেশ্যৰ বাবে মুদ্ৰাৰ চাহিদা কমি যায় অথবা ইয়াৰ ওলোটাটো হ'লে মুদ্ৰাৰ চাহিদা বাঢ়ে।

প্ৰতীকৰ সহায়ত ইয়াক এনেদৰে উপস্থাপন কৰিব পাৰি-

$$L_2 = F(i)$$

মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদা আৰু সুদৰ শেহতীয়া বজাৰ দৰৰ মাজত থকা বিপৰীত সম্পৰ্কটো চিত্ৰ ৩.৩ ত দেখুৱা হ'ল।

চিত্ৰ ৩.৩ সুদৰ হাৰৰ নিম্নগামী ফলন আৰু তাৰল্য ফান্দ মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদা



মুদ্ৰাৰ কল্পনা প্ৰসূত চাহিদা L_2